## প্ৰথম অধ্যায়

# অসমত গ্ৰন্থ পৰম্পৰাৰ ঐতিহাসিক পটভূমি

**প্ৰথম অধ্যায়**

# অসমত গ্ৰন্থ পৰম্পৰাৰ ঐতিহাসিক পটভূমি

## ১.০১ পটভূমি ঃ

প্ৰাচীন কালত অসমৰ বিভিন্ন অংশ শোণিতপুৰ, হিড়িম্বাপুৰ (ডিমাপুৰ), কুণ্ডিল, জয়ন্তীপুৰ, মণিপুৰ, প্ৰাগ্‌জ্যোতিষপুৰ, কমতাপুৰ আদি নামেৰে ক্ষুদ্ৰ ক্ষুদ্ৰ গোটেৰে একো একোখন স্বাধীন ৰাজ্য আছিল। পৰৱৰ্তীকালত এই সকলোবিলাক ৰাজ্য মিলিয়েই 'কামৰূপ' বা 'প্ৰাগ্‌জ্যোতিষ' ৰাজ্য নামেৰে পৰিচিত হয়। ভাৰতীয় মহাকাব্য ৰামায়ণ, মহাভাৰত, ভাগৱত পুৰাণ আদিত বৰ্তমান অসমৰ পুৰণি নাম প্ৰাগ্‌জ্যোতিষ আৰু কামৰূপৰ কথা উল্লেখ আছে। সেইসমূহ তথ্য ঊনবিংশ শতিকাত প্ৰকাশ পোৱা বহু গ্ৰন্থতো সন্নিৱিষ্ট হৈছে। ঊনবিংশ শতিকাত অসম (কামৰূপ, প্ৰাগজ্যোতিষ) সম্পৰ্কীয় বহু বিষয় সন্নিৱিষ্ট কৰি প্ৰকাশিত গ্ৰন্থসমূহত কিম্বদন্তি কালৰ ৰঘুবংশৰ ৰাজসভাত (যজ্ঞস্থানত) কামৰূপৰ ৰজাৰ অংশগ্ৰহণ, ৰাজ্যখনৰ মাজেদি বৈ যোৱা লোহিত নদী আদিৰ কথা সন্নিৱিষ্ট হৈ আছে। শ্ৰীকৃষ্ণৰ পত্নী ৰুক্মিণী, বাণ ৰজাৰ জীয়াৰী ঊষা, শ্ৰীকৃষ্ণৰ নাতি অনিৰুদ্ধৰ বিৱাহ, অৰ্জুন পত্নী চিত্ৰাঙ্গদা আৰু উলুপী, ভীম পত্নী হিড়িম্বা, দুৰ্যোধন পত্নী ভানুমতী আদিৰ কাহিনীৰেও সমৃদ্ধ হৈছে।

অসমৰ বিষয়ে লিখিত গ্ৰন্থসমূহত প্ৰাগৈতিহাসিক কালৰ কিম্বদন্তিমূলক ঘটনাৰাজিৰ দৰে ঐতিহাসিক কালৰ বিভিন্ন ঘটনাৰ বিৱৰণো বহুতো পুথিত সন্নিৱিষ্ট হৈ আছে। প্ৰাচীন অসমৰ ৰাজন্যসকল, বিশেষকৈ পুষ্য বৰ্মন, সমুদ্ৰ বৰ্মনকে ধৰি ভাস্কৰ বৰ্মনলৈকে 'বৰ্মন বংশ'ই প্ৰায় ৩৫০ খ্ৰীঃৰ পৰা ৬৫০ খ্ৰীঃলৈকে ৩০০ বছৰ ৰাজত্ব কৰাৰ কাহিনী[১] 'শালস্তম্ভ' বংশৰ ৰাজত্বকাল[২], হৰ্যদেৱ বা শ্ৰীহৰ্যই ভাৰতীয় সংস্কৃতিলৈ আগবঢ়োৱা অৱদান আদি এই গ্ৰন্থসমূহত স্থান পাইছে। ঊনবিংশ শতিকাত প্ৰকাশিত গ্ৰন্থসম্ভাৰৰ ভিতৰত

---

[১] দীনেশচন্দ্ৰ সৰকাৰৰ উদ্ধৃতিৰে হেৰম্বকান্ত বৰপূজাৰীকৃত *The Comprehensive History of Assam* ৰ প্ৰথম খণ্ড, পৃ. ৯৪-১২১। প্ৰকাশক, অসম প্ৰকাশন পৰিষদ, গুৱাহাটী।

[২] উল্লিখিত।

হিন্দু আৰু খ্ৰীষ্টধৰ্মীয় বিষয়সমূহৰ গ্ৰন্থৰ সংখ্যা অধিক। তদুপৰি অসমৰ বুৰঞ্জীমূলক কাহিনীৰ ভিত্তিত ৰচিত গ্ৰন্থৰ সংখ্যাও যথেষ্ট। উক্ত শতিকাত প্ৰকাশিত গ্ৰন্থৰ ভিতৰত পঢ়াশালিৰ বাবে প্ৰকাশিত গ্ৰন্থৰ বাহিৰে অসমীয়া লেখকসকলৰ দ্বাৰা ৰচিত গ্ৰন্থসমূহৰ সৰহসংখ্যকেই ৰামায়ণ, মহাভাৰত, পুৰাণ, উপনিষদ আদি পৌৰাণিক শাস্ত্ৰসমূহৰ কাহিনীৰ ভিত্তিত ৰচিত। আনহাতে সেই শতিকাত অসমলৈ আগমন ঘটা খ্ৰীষ্টান লোকসকলৰ দ্বাৰা ৰচিত গ্ৰন্থ বা পুস্তিকাৰ সৰহসংখ্যকেই আছিল বাইবেল বা খ্ৰীষ্টান ধৰ্মৰ উপদেশমূলক বাণী, খ্ৰীষ্ট গীত আদি।

ত্ৰয়োদশ শতিকাৰ পৰা ঊনবিংশ শতিকালৈকে অসমৰ ৰাজনৈতিক মানচিত্ৰৰ ইতিহাসত চুতীয়াৰাজ, ভূঞাৰাজ, কোচৰাজ, কছাৰীৰাজ, জয়ন্তীয়াৰাজ আৰু আহোম ৰাজশাসন আদি বিভিন্ন ৰাজনৈতিক গোটে অসমৰ বিভিন্ন অঞ্চলত শাসনকাৰ্য পৰিচালনা কৰিছিল।[৩] অষ্টাদশ শতিকাত 'মোৱামৰীয়া বিদ্ৰোহ' আৰু 'মানৰ আক্ৰমণ'ৰ পৰিণামত অসমৰ চৌদিশে জনসাধাৰণৰ মাজত সন্ত্ৰাস, বিভীষিকাময় পৰিস্থিতিৰ সৃষ্টি হোৱাত অসমখন বিধ্বস্ত হৈ পৰিছিল। ১৮২৬ খ্ৰীষ্টাব্দত 'ইয়াণ্ডাবু সন্ধি'ৰ যোগেদি অসম ইংৰাজৰ অধীনলৈ যায়। ইয়াৰ ফলত অসমৰ ৰাজনৈতিক, সামাজিক, ভৌগোলিক, ভাষিক, জাতিগত আদি বিভিন্ন দিশত এক নতুন অধ্যায়ৰ সূচনা হয়।

## ১.০২ অসমত সাহিত্য চৰ্চা আৰু গ্ৰন্থ পৰম্পৰা ঃ

**(ক) মৌখিক পৰম্পৰা ঃ** প্ৰাচীন কালত সাহিত্যৰ সৃষ্টিসমূহ মানুহৰ প্ৰখৰ স্মৃতিশক্তিৰ মাধ্যমেৰে মুখে মুখে প্ৰচলিত হোৱা বাবে সেই ধাৰাটিক 'মৌখিক সাহিত্য' বোলা হৈছিল। অসমীয়া সংস্কৃতিৰ আইনাম, ধাইনাম, গৰখীয়া নাম আদি প্ৰচলিত লোকগীতসমূহৰ লগতে বিহুনাম, বিয়াই-সৰাহে পৰিৱেশন কৰা উৎসৱমূলক নাম, শিশুৰ নিচুকনি গীত আদিকে ধৰি সেই সময়ৰ সৃষ্টিসমূহ অবিশ্বাস্য অথচ শুদ্ধ ৰূপত পৰম্পৰাগতভাৱে পূৰ্ব প্ৰজন্মৰ পৰা উত্তৰ প্ৰজন্মলৈ প্ৰৱাহিত হৈছিল। পুথি-শাস্ত্ৰ সম্ভাৰত বৰ্ণিত 'ভক্তিমাৰ্গ'ৰ সৃষ্টিৰাজিৰ পৰ্যাপ্ত প্ৰতিলিপি নথকাত, সেই সময়ৰ লোকসকলে স্মৃতিশক্তিৰ যোগেদি নিজ নিজ মনৰ মাজত সংৰক্ষণ কৰি ৰাখিছিল। প্ৰাকশংকৰী যুগৰ পৰা অসমত পুথি ৰচনাৰ পৰম্পৰা পোৱা যায়। ৰামায়ণ আৰু পুৰাণ আশ্ৰিত কাহিনীৰ আশ্ৰয়ত ৰচিত কাব্যসমূহ হস্তলিখিত আছিল আৰু লিপিকাৰৰ যোগেদি সংৰক্ষিত হৈছিল। নৱ বৈষ্ণৱ যুগৰ সাহিত্য আন্দোলন মৌখিক পৰম্পৰা গুৰু-শিষ্যৰ মাজৰ সম্পৰ্কৰ ভেটিত নিৰ্ভৰ কৰি উত্তৰ প্ৰজন্মলৈ প্ৰৱাহিত হৈছিল। সকলো পদ-ঘোষা গুৰুৰ শৰণাপন্ন হৈ

---

[৩] ঊনবিংশ শতিকাৰ অসমৰ বিভিন্ন সময়ৰ ৰাজনৈতিক মানচিত্ৰ পৰিশিষ্টৰ **'ক'**, **'খ'** আৰু **'গ'** পৃষ্ঠাত দিয়া হৈছে।

গুৰুৰ মুখৰ পৰা শিষ্যসকলে গ্ৰহণ কৰিছিল। অসমত পঞ্চদশ-ষষ্ঠদশ শতিকাত শ্ৰীমন্ত শঙ্কৰদেৱ-মাধৱদেৱৰ দ্বাৰা ৰচিত কীৰ্ত্তন, নাম-ঘোষাৰ পদসমূহ মানুহে নিজ নিজ স্মৃতি শক্তিৰে অনৰ্গল পৰিৱেশন কৰি আহিছিল। এইবোৰৰ হাতেলিখা প্ৰতিলিপি নাছিল। কিন্তু ঊনবিংশ শতিকাত মুদ্ৰণ যন্ত্ৰ স্থাপন কৰাৰ পাছত এনে বহু পুথি, শাস্ত্ৰপাঠ মুদ্ৰিত ৰূপত প্ৰকাশিত হোৱাত মানুহ যথেষ্ট উপকৃত হ'ল। পাঠসমূহ ৰচনাৰ প্ৰায় তিনিশ/চাৰে তিনিশ বৰ্ষৰ পাছত ঊনবিংশ শতিকাৰ মাজভাগতহে মুদ্ৰিত গ্ৰন্থৰূপে প্ৰকাশ পায়।

**(খ) ঊনবিংশ শতিকাত অসমৰ গ্ৰন্থ পৰম্পৰা ঃ** প্ৰাৰম্ভিক স্তৰত অসমৰ জনমানসত মুদ্ৰণ যন্ত্ৰৰ দ্বাৰা আধুনিক ছপাগ্ৰন্থ প্ৰকাশ কৰিব পৰা যায় বুলি কোনো ধাৰণা নাছিল। গছৰ বাকলিৰে নিৰ্মিত বিশেষকৈ সাঁচিগছৰ বাকলিৰে নিৰ্মিত সাঁচিপাত বা তুলাপাত আদিত ৰচনাসমূহ লিপিবদ্ধ কৰি ৰাখিছিল। পৃষ্ঠাসমূহ সু-শৃংখল ৰূপত মৰাপাট আদি গছৰ জৰী বা সূতাৰে বান্ধি ৰখা হৈছিল। চীনদেশত প্ৰথম শতিকাতে কাগজৰ উদ্ভাৱন হৈছিল। ভাৰতবৰ্ষত ত্ৰয়োদশ শতিকাতহে হাতেৰে তৈয়াৰ কৰা কাগজৰ ব্যৱহাৰ বিয়পি পৰে। পাছে, ঊনবিংশ শতিকাৰ মাজভাগৰ পৰা আধুনিক মেচিনেৰে উৎপাদিত কাগজ উপলব্ধ হ'বলৈ ধৰে। অসমত ঊনবিংশ শতিকাৰ তৃতীয় দশকলৈকে আধুনিক কাগজ উপলব্ধ নোহোৱাৰ বাবে সেই শতিকাৰ মধ্যভাগলৈকে সাঁচিপাত, তুলাপাতত লিখাৰ মাধ্যমেৰেই গ্ৰন্থ পৰম্পৰা প্ৰচলিত আছিল।

অসমীয়া সাহিত্যৰ পৰম্পৰা প্ৰায় সপ্তম, অষ্টম শতিকাৰ পৰাই প্ৰচলিত। ভাষা-সাহিত্যৰ পৰ্যালোচকসকলে এই ভাষা আৰু পৰম্পৰাসমূহক ক্ৰম অনুসৰি একো একোটা 'যুগ' আখ্যাৰে সজাই প্ৰাক বৈষ্ণৱ যুগ, বৈষ্ণৱ যুগ, উত্তৰ বৈষ্ণৱ যুগ আৰু আধুনিক যুগ বুলি অভিহিত কৰিছে। এই সকলো যুগতে ৰচিত পুথি-পাঁজিসমূহ ঊনবিংশ শতাব্দীতহে মুদ্ৰিত হোৱাত পঢ়ুৱৈ সমাজৰ মাজত উপলব্ধ হয়। অৱশ্যে এই কথা ঠিক যে, ঊনবিংশ শতিকাত অসমত ভালেকেইটা মুদ্ৰণ যন্ত্ৰ স্থাপন হয় যদিও অসমৰ বুজনসংখ্যক গ্ৰন্থ বঙ্গদেশত, বিশেষকৈ কলিকতাত স্থাপন হোৱা মুদ্ৰণশালাত মুদ্ৰিত হৈ গ্ৰন্থ আকাৰে প্ৰকাশিত হৈছে। ভাৰতবৰ্ষৰ বাহিৰতো, বিশেষকৈ লণ্ডন, জাৰ্মানী আদি দেশতো অসম সম্পৰ্কীয় গ্ৰন্থ এই শতিকাত প্ৰকাশিত হয়। ঊনবিংশ শতিকাত প্ৰকাশিত গ্ৰন্থসম্ভাৰৰ সমীক্ষাত্মক অধ্যয়নত পোৱা তথ্য মতে, সেই শতিকাত প্ৰকাশিত গ্ৰন্থসম্ভাৰৰ ভিতৰত সৰ্বাধিক সংখ্যক গ্ৰন্থ উক্ত শতিকাতেই ৰচনা কৰা পাণ্ডুলিপিৰ পৰা মুদ্ৰিত। সংশ্লিষ্ট গ্ৰন্থসমূহৰ ভিতৰত আকৌ ভালেসংখ্যক গ্ৰন্থৰ ৰচনা খ্ৰীষ্টীয় সপ্তম শতিকাৰ পৰা অষ্টাদশ শতিকাৰ ভিতৰত। কিন্তু পূৰ্বৰ প্ৰায় এহেজাৰ বছৰত ৰচিত বহু গ্ৰন্থৰ পাণ্ডুলিপি অপ্ৰকাশিত ৰূপত ৰৈ গৈছে। বহু গ্ৰন্থৰ পাণ্ডুলিপি ইতিমধ্যে সন্ধানহীনো হৈ পৰিছে। আনহাতে বহু গ্ৰন্থৰ পাণ্ডুলিপি আকৌ আংশিক ৰূপতহে উপলব্ধ হৈছে। বহু পাণ্ডুলিপি প্ৰাকৃতিক কাৰণত বিনষ্ট হৈ গৈছে। বহু পাণ্ডুলিপি সময়মতে সংৰক্ষণ নকৰাত দুষ্প্ৰাপ্য হৈ পৰিছে। ৰচয়িতাসকলৰ বহু পাণ্ডুলিপি পৰৱৰ্তী প্ৰজন্মই

অন্ধবিশ্বাসৰ বলি হৈ বোৰতী নৈত উটুৱাই দিছে। আনহাতে, এনে বহুতো পাণ্ডুলিপি এচাম ৰক্ষণশীল ব্যক্তিৰ হাতত থাকি গৈছে, যিবোৰ ধৰ্মীয় বিশ্বাসৰ দোহাই দি সৰ্বসাধাৰণ মানুহৰ হাতৰ স্পৰ্শৰ বাহিৰত কাঠৰ জপাত আবদ্ধ কৰি ৰাখিছে। এই পাণ্ডুলিপিসমূহৰ ভিতৰত ভালেসংখ্যক সচিত্ৰ সাঁচিপতীয়া পুথি কাঠৰ বাকচত মানুহৰ স্পৰ্শৰ পৰা দূৰৈত সোমাই আছে।

### ১.০৩ অসমীয়া ভাষাত লিখিত সাহিত্যৰ আৰম্ভণি ঃ

ঊনবিংশ শতিকাৰ প্ৰাক্ কালছোৱালৈকে অসমত প্ৰচলিত হস্তলিখিত পুথিৰ উত্তৰন ঘটে ১৮১৩ খ্ৰীঃত অসমীয়া ভাষাত মুদ্ৰিত 'ধৰ্মপুস্তক' নামৰ গ্ৰন্থখনৰ জৰিয়তে। এই প্ৰসংগত মহেন্দ্ৰ বৰাই কৈছে— *'আত্মাৰাম শৰ্মাৰ বাইবেল ছপাবৰ কাৰণেই নতুন বৰ্ণমালা কটা হৈছিল।'*[৪] বঙ্গৰ শ্ৰীৰামপুৰত প্ৰতিষ্ঠিত বেপ্টিষ্ট মিছন প্ৰেছত প্ৰকাশক উইলিয়াম কেৰীৰ উদ্যোগত, প্ৰধানকৈ অসমত অসমীয়া ভাষী লোকৰ মাজত খ্ৰীষ্টীয় ধৰ্ম প্ৰচাৰ আৰু প্ৰসাৰৰ অৰ্থেই এই গ্ৰন্থ প্ৰকাশ কৰা হৈছিল। অসমত পূৰ্বাপৰ প্ৰচলিত হস্তলিখিত পুথিৰ ঠাইত মুদ্ৰণ যন্ত্ৰৰ দ্বাৰা ছপা আখৰত গ্ৰন্থ প্ৰকাশৰ বাবে প্ৰয়োজনীয় 'হৰফ' তৈয়াৰ কৰি লোৱা হয়। ঊনবিংশ শতিকাৰ দ্বিতীয় দশকত অসমীয়া ভাষাত গ্ৰন্থ মুদ্ৰণ কাৰ্যৰ বাবে প্ৰথম অৱস্থাত কাঠত কটা আখৰৰ সাঁচ আৰু পৰৱৰ্তী পৰ্যায়ত উন্নতমানৰ সীহত কটা চলমান বৰ্ণাক্ষৰ প্ৰস্তুত হ'বলৈ ধৰে। এই ক্ষেত্ৰত শ্ৰীৰামপুৰৰ পঞ্চানন কৰ্মকাৰ আৰু মনোহৰ কৰ্মকাৰৰ অৱদান উল্লেখযোগ্য।[৫]

### ১.০৪ ঊনবিংশ শতিকাত অসমৰ গ্ৰন্থ প্ৰকাশনৰ ক্ষেত্ৰত 'কাগজ', 'চিয়াঁহী' আৰু 'মুদ্ৰণ' ব্যৱস্থাৰ আৰম্ভণি ঃ

অসমৰ ইতিহাসত গ্ৰন্থৰ আৰম্ভণি বা গ্ৰন্থ পৰম্পৰাত অসমীয়া 'হৰফ' (লিপি) আৰু 'মুদ্ৰণ' কাৰ্যৰ বাবে আটাইতকৈ প্ৰয়োজনীয় সামগ্ৰীসমূহৰ ভিতৰত 'কাগজ' আৰু 'চিয়াঁহী' অন্যতম। ঊনবিংশ শতিকাত উইলিয়াম কেৰীয়ে অসমীয়া ভাষাত গ্ৰন্থ ছপা কৰিবলৈ ইংলেণ্ডৰ পৰা বঙ্গদেশৰ হুগলী জিলাৰ শ্ৰীৰামপুৰলৈ জাহাজেৰে কাগজ কঢ়িয়াই আনিছিল। ১৮৩৬ খ্ৰীঃত আমেৰিকান মিছনাৰীসকলে অসমলৈ

---

৪. মহেন্দ্ৰ বৰা, *অসমীয়া ভাষাৰ লিপি* (প্ৰবন্ধ), *লঘুগুৰু*, পৃ.৭২।

৫. উইলিয়াম কেৰীৰ উদ্যোগত শ্ৰীৰামপুৰত অসমীয়া আখৰৰ আকৃতিত সীহ গলাই 'হৰফ' (মুদ্ৰণ ক্ষেত্ৰৰ ভাষাত প্ৰচলিত শব্দ) তৈয়াৰ কৰা হয়। এই কাৰ্য শ্ৰীৰামপুৰ নিবাসী পঞ্চানন কৰ্মকাৰ আৰু মনোহৰ কৰ্মকাৰৰ দ্বাৰা সম্পন্ন কৰা হয়। ইয়াৰ পূৰ্বে অসমীয়া আখৰৰ সদৃশ বাংলা ভাষাৰ আখৰ প্ৰথমে ইংলেণ্ডৰ উইলিয়াম বোলট্চ আৰু পাছত চাৰ্লছ উইল্‌কিনছে তৈয়াৰ কৰিছিল। অসমীয়া ভাষাত প্ৰকাশিত 'ধৰ্মপুস্তক' মুদ্ৰণৰ বাবে আখৰ তৈয়াৰ কৰাৰ ক্ষেত্ৰত মনোহৰ কৰ্মকাৰৰ অৰিহণা স্বীকাৰ্য।

আহোতে মুদ্ৰণ যন্ত্ৰৰ লগতে ‘কাগজ’ আৰু ‘চিয়াঁহী’ও লগত লৈ আনিছিল। পিছলৈ অসমত স্থাপিত ছপাশালৰ কৰ্তৃপক্ষ আৰু প্ৰকাশকসকলে কলিকতাৰ বিভিন্ন কাগজ কলত প্ৰস্তুত কৰা কাগজ আনি গ্ৰন্থ প্ৰকাশন প্ৰক্ৰিয়াক আগুৱাই নিছিল। কম সময়ত কাৰিকৰী পদ্ধতিৰে প্ৰয়োজনীয় সংখ্যক প্ৰতিলিপি প্ৰস্তুত কৰি উলিওৱাটোৱেই ‘মুদ্ৰণ’ বা ‘মুদ্ৰিত’ ৰূপ। মুদ্ৰণৰ মৌলিক অৰ্থ হ’ল, লেখা বা ছবিৰ এক বা ততোধিক প্ৰতিৰূপ কৰা। গতিকে অসমৰ গ্ৰন্থ প্ৰকাশনৰ ইতিহাসত ঊনবিংশ শতিকা হৈছে এক দিশ নিৰ্ণায়ক শতিকা।

**১.০৫ ঊনবিংশ শতিকাত অসমত আধুনিক ছপাশাল প্ৰতিষ্ঠা আৰু গ্ৰন্থ প্ৰকাশন ব্যৱস্থা ঃ** বিশ্বৰ মুদ্ৰণ ইতিহাসত ১৪৫৫-৫৬ খ্ৰীঃ মানৱ-সভ্যতাৰ বাবে এক উল্লেখযোগ্য বৰ্ষ। এই সময়ছোৱাক আধুনিক প্ৰণালীৰ ছপাশালৰ জন্মকাল বুলি ধৰা হয়। ধাতুৰে নিৰ্মিত গাইগুটীয়া হৰফেৰে স্থান সলনি কৰিব পৰা মুদ্ৰণ পদ্ধতিৰ উদ্ভাৱনৰ জৰিয়তে আধুনিক ছপাশাল স্থাপন হয়। এই পদ্ধতিৰ উদ্ভাৱক জাৰ্মানীৰ ‘জোহান্স গোটেনবাৰ্গ’ক আধুনিক ছপাশালৰ জনক বুলি কোৱা হয়। ধাতুৰে নিৰ্মিত ছাব্বিশটা বৰ্ণ সৃষ্টি আৰু প্ৰণালীবদ্ধ ৰূপত সংস্থাপন কৰিব পৰা কৌশল উদ্ভাৱনৰ জৰিয়তে ‘গোটেনবাৰ্গে’ এই ইতিহাস সৃষ্টি কৰিবলৈ সক্ষম হৈছিল। উক্ত কৌশল প্ৰয়োগেৰে গোটেনবাৰ্গে ‘বাইবেল’ গ্ৰন্থখন ছপা কৰি উলিয়াইছিল। ইয়াৰ পিছৰে পৰাই সমগ্ৰ বিশ্বতেই গ্ৰন্থৰ পদ্ধতিগত মুদ্ৰণ পৰম্পৰা আৰম্ভ হ’বলৈ ধৰে। পৃথিৱীৰ অন্যান্য ভাষাৰ লগতে অসমৰ গ্ৰন্থ প্ৰকাশন ব্যৱস্থাতো আধুনিক মুদ্ৰণ পদ্ধতিৰ সুবিধাসমূহ উপলব্ধ হয়। অসমৰ গ্ৰন্থ প্ৰকাশনৰ ইতিহাসত প্ৰথম ছপাগ্ৰন্থ ঊনবিংশ শতিকাত প্ৰকাশ হৈ ওলায়। এই দিশৰ পৰা অসমৰ গ্ৰন্থ প্ৰকাশনৰ ক্ষেত্ৰত ঊনবিংশ শতিকা এক উল্লেখযোগ্য শতিকা।

**১.০৬ ঊনবিংশ শতিকাত অসমত গ্ৰন্থ মুদ্ৰণৰ গতি স্থবিৰ হোৱাৰ কাৰণ ঃ**

ঊনবিংশ শতিকাৰ দ্বিতীয় দশকৰ পৰা সপ্তম দশকলৈ কেইবাটাও দুৰ্যোগপূৰ্ণ কাৰকৰ ফলত অসমীয়া সাহিত্যৰ চৰ্চা আৰু গ্ৰন্থ প্ৰকাশন প্ৰক্ৰিয়া মন্থৰ হৈ পৰিছিল। এই সুদীৰ্ঘ কাল অসমীয়া লোকৰ বাবে সাহিত্যৰ চৰ্চা, সৃষ্টিৰ পৰিৱেশ অনুকূল নাছিল। ভাষা, সাহিত্য, সংস্কৃতি সাধনাৰ ক্ষেত্ৰত স্থানীয় লোকৰ মনৰ আৱেগ, বিদ্যায়তনিক অধ্যয়ন, সাহিত্য চৰ্চা আদিৰ বাবে পৰিৱেশ ভাৰাক্ৰান্ত হৈ পৰিছিল। সেয়েহে অসমৰ গ্ৰন্থ পৰম্পৰাৰ ক্ৰমবিকাশৰ গতি স্থবিৰ হৈ পৰিছিল। ঊনবিংশ শতিকাত সৃষ্টি হোৱা সামাজিক, ৰাজনৈতিক আৰু ঐতিহাসিক দুৰ্যোগৰ কাৰণসমূহ হৈছে,-

১. ১৭৬৯ খ্ৰীঃৰ পৰা ১৮০৬ খ্ৰীঃলৈ মোৱামৰীয়া বিদ্ৰোহ।

২. ১৮২০ খ্ৰীঃৰ দন্দুৱা দ্ৰোহ।

৩. ১৮১৭ খ্ৰীঃৰ পৰা ১৮২৬ খ্ৰীঃলৈ ক্ৰমে ১৮১৭, ১৮১৯ আৰু ১৮২১ খ্ৰীঃত তিনিবাৰকৈ হোৱা মানৰ আক্ৰমণ।

৪. ১৮২৬ খ্ৰীষ্টাব্দত 'ইয়াণ্ডাবু সন্ধি'ৰ চুক্তি মতে অসমত ব্ৰিটিছ শাসন।

৫. ১৮২৮ খ্ৰীঃত গোমধৰ কোঁৱৰৰ নেতৃত্বত হোৱা প্ৰজা বিদ্ৰোহ।

৬. ১৮৩০ খ্ৰীঃত পিয়লি ফুকন আৰু ধনঞ্জয় বৰগোহাঁইৰ নেতৃত্বত প্ৰজা বিদ্ৰোহ।

৭. ১৮৩০ খ্ৰীঃত অসমত বঙ্গদেশৰ পৰা বিষয়া আমদানি কৰি স্থানীয় মানুহক অৱমাননা।

৮. ১৮৩২-৩৩ খ্ৰীঃত আহোম শাসনতন্ত্ৰৰ পৰা প্ৰচলিত 'পাইক প্ৰথা' প্ৰত্যাহাৰ কৰি তদানীন্তন পাইকসকলক ৰজাঘৰীয়া কাম-কাজৰ পৰা অব্যাহতি দি, সেই পাইকসকলৰ ওপৰত কৰ-কাটল লগাই নতুন ৰাজহ সংগ্ৰহ ব্যৱস্থা প্ৰৱৰ্তন কৰাত দেশবাসীৰ মাজত হোৱা মানসিক বিভ্ৰান্তি।

৯. ১৮৩৩-৩৪ খ্ৰীঃত প্ৰচলিত বিনিময় প্ৰথা প্ৰত্যাহাৰ কৰি মুদ্ৰাভিত্তিক অৰ্থনীতিৰ আদান-প্ৰদান প্ৰথা প্ৰৱৰ্তনৰ ফলত অনভিজ্ঞ অসমীয়া জনসাধাৰণৰ বাবে হোৱা সমস্যা।

১০. ১৮৩৬ খ্ৰীঃৰ পৰা ১৮৭৩ খ্ৰীঃলৈ অসমত অসমীয়া ভাষাৰ পৰিৱৰ্তে বাংলা ভাষাৰ প্ৰৱৰ্তন।

১১. ১৮৩৮ খ্ৰীঃৰ ১৬ ছেপ্টেম্বৰত ব্ৰিটিছে লালবন্দী কৰি ৰখা আহোম ৰজা পুৰন্দৰ সিংহৰ পৰা উজনি অসম খণ্ডৰ শাসনভাৰ নিজ হাতলৈ নিয়ে। ইয়াৰ লগে লগে ৬০০ বছৰীয়া আহোম শাসনতন্ত্ৰৰ অন্ত পৰাত অসমৰ জনসাধাৰণৰ মাজত স্বাধীন মনোভাৱ নাইকিয়া হোৱা। ফলত প্ৰজাসকলৰ মাজত গভীৰ শঙ্কা ঘনীভূত হৈ এক অশান্তিকৰ পৰিস্থিতিৰ সৃষ্টি হোৱা।

১২. ১৮৪০ খ্ৰীঃত অসমত নতুন প্ৰশাসনীয় ব্যৱস্থা প্ৰৱৰ্তনৰে সৃষ্টি কৰা কমিছনাৰ, ছিনিয়ৰ ক্লাৰ্ক, সদৰআমীন, মুঞ্চেফ্, তহচিলদাৰ আদি পদবী সৃষ্টি কৰি স্থানীয় মানুহৰ পৰা অত্যধিক কৰ সংগ্ৰহ কৰাৰ ব্যৱস্থা।

১৩. ১৮৫১-৫২ খ্ৰীঃত দেশত কানি বৰবিহ সেৱন কৰিবলৈ সুবিধা প্ৰদান কৰি ব্ৰিটিছ চৰকাৰে ৰাজহ সংগ্ৰহৰ অন্যতম প্ৰধান উৎস ৰূপে লোৱা সিদ্ধান্ত। এই সিদ্ধান্তৰ ফলত অসমৰ সমাজ জীৱনত পৰা কু-প্ৰভাৱে অসমীয়া ভাষা-সাহিত্যৰ সৃষ্টি, চৰ্চা আৰু প্ৰত্যক্ষ বা পৰোক্ষভাৱে গ্ৰন্থ প্ৰকাশন প্ৰক্ৰিয়াটোত যথেষ্ট প্ৰভাৱ পেলায়।

১৪. ১৮৫৭ খ্ৰীষ্টাব্দত অসমত চিপাহী বিদ্ৰোহৰ দাৱানল।

১৫. ১৮৬০ খ্ৰীষ্টাব্দত ব্ৰিটিছ বিষয়া জেমছ আৰোপিত নিৰ্দেশ অনুযায়ী অসমৰ সাধাৰণ প্ৰজাৰ ওপৰত জাপি দিয়া অত্যধিক খাজনা (আয়কৰ) সহ বিভিন্ন দ্ৰব্য-সামগ্ৰীৰ ওপৰত কৰ বৃদ্ধিকৰণ ব্যৱস্থা।

১৬. ১৮৬১ খ্ৰীষ্টাব্দত ফুলগুৰিৰ কৃষক বিদ্ৰোহ।

১৭. ১৮৮৬ খ্ৰীঃৰ পৰা ১৮৮৮ খ্ৰীঃলৈ পুনৰ মোৱামৰীয়া গণ বিদ্ৰোহ।

১৬. ১৮৯৪ খ্ৰীষ্টাব্দত পথৰুঘাটৰ কৃষক বিদ্ৰোহ।

১৭. ১৮৯৭ খ্ৰীষ্টাব্দত অসমত বৰ ভূঁইকঁপ।

ঊনবিংশ শতিকাত অসমৰ লোকসকলে সামগ্ৰিকভাৱে এনে বহুতো কাৰকৰ বাবে এক অশান্তিকৰ পৰিস্থিতিৰে দিন অতিবাহিত কৰিবলগীয়া হোৱাত, অসমৰ গ্ৰন্থ প্ৰকাশন উদ্যোগে যেনে ধৰণে আগবাঢ়িব লাগিছিল সেয়া হৈ উঠা নাছিল। অসমীয়া মানুহৰ অৰ্থনৈতিক দুৰৱস্থা, যাতায়াত ব্যৱস্থাৰ জুৰুলা অৱস্থা, কৰ-কাটলৰ বোজা, মানৰ অত্যাচাৰ, ব্ৰিটিছৰ শোষণ নীতি, অসমত বঙ্গীয় সমাজৰ বাংলা ভাষা জাপি দিয়াৰ অহৰহ প্ৰচেষ্টা, ব্ৰিটিছৰ দ্বাৰা ১৮৩৬-১৮৭৩ খ্ৰীঃলৈকে অসমত অসমীয়া ভাষাৰ পৰিৱৰ্তে বাংলা ভাষা প্ৰচলনৰ নিৰ্দেশ, স্থানীয় লোকসকলৰ মাজত বহিঃদেশ সম্পৰ্কে জ্ঞানৰ অভাৱ, ভাষাৰ পাৰদৰ্শিতাৰ অভাৱ, মানসিক হীনমন্যতা আদি কাৰকৰ বাবে যথেষ্ট আহুকলীয়া পৰিৱেশৰ মাজেৰে আগবাঢ়িবলগীয়া হৈছিল। এনেবোৰ কাৰণত ঊনবিংশ শতিকাক অসমীয়া সাহিত্যৰ চৰ্চা আৰু গ্ৰন্থ প্ৰকাশনৰ ক্ষেত্ৰত দুৰ্যোগপূৰ্ণ সময় বুলি অভিহিত কৰা হয়।

## ১.০৭ ঊনবিংশ শতিকাৰ আৰম্ভণিত অসমৰ ৰাজনৈতিক অৱস্থা আৰু গ্ৰন্থ সংস্কৃতিত পৰা প্ৰভাৱ[৬]

### **১.০৭.০১ মোৱামৰীয়া বিদ্ৰোহ** (১৭৬৯-১৮০৬ খ্ৰীঃ)

ঊনবিংশ শতিকাৰ আৰম্ভণিতে আহোম ৰাজত্বত মোৱামৰীয়া বিদ্ৰোহেই আছিল অসমৰ প্ৰথম বিদ্ৰোহ। আহোমসকলে প্ৰথম বিদ্ৰোহ দমন কৰি মোৱামৰীয়াসকলৰ পৰা পুনৰ সিংহাসন আৰু ৰাজধানী অধিকাৰ কৰিলেও এই বিদ্ৰোহে অসমৰ ৰাজতন্ত্ৰৰ ইতিহাসত এক বিশৃংখল পৰিৱেশ গঢ়ি তোলে। ঊনবিংশ শতিকাৰ প্ৰাক্‌কালৰ পৰা ১৮২৬ খ্ৰীষ্টাব্দলৈকে অসমৰ ৰাজনৈতিক অৱস্থা প্ৰচণ্ড অস্থিৰ আছিল। কমলেশ্বৰ সিংহই ৰজা হৈয়েই ভগা দেশখনক পুনৰগঠনৰ কামত উঠি-পৰি লাগে। মোৱামৰীয়াসকলৰ অত্যাচাৰ-উৎপীড়নত আতংকিত হৈ ওচৰ-চুবুৰীয়া ৰাজ্য জয়ন্তীয়া আদিলৈ পলাই যোৱা মানুহখিনিক পুনৰ নিজ ঠাইলৈ আনিবলৈ যো-জা কৰে। এইদৰে কমলেশ্বৰ সিংহই পূৰ্ণানন্দ বুঢ়াগোহাঁইৰ সৈতে ৰাজ্য পুনৰ

---

৬. গজেন্দ্ৰ অধিকাৰী; *অসমৰ ইতিহাস,* ৰমেশ চন্দ্ৰ কলিতা; *অসমৰ কালানুক্ৰমিক ইতিহাস,* কাশীনাথ তামুলী ফুকন আৰু ৰাধানাথ বৰবৰুৱা; *আসাম বুৰঞ্জী,* কনক চন্দ্ৰ শৰ্মা; *অৱলোকনত অসম ইতিহাস - ঊনবিংশ শতিকাৰ অসমীয়া সাহিত্য, উমেশ ডেকা;* অমৰজ্যোতি বৰুৱা; ১৮৫৭ খ্ৰীঃৰ *ফিৰিঙতি মণিৰাম দেৱান।*

স্থাপন, আৰ্থিক অথন্তৰৰ সংস্কাৰ আদি কামত ব্ৰতী হৈ উজনি অসমতে ব্যস্ত থাকিবলগীয়া হয়। ফলত নামনি অসমত অশান্তিকৰ পৰিস্থিতিৰ সৃষ্টি হ'বলৈ ধৰে। অৱশেষত সেই বিদ্ৰোহ কলিয়াভোমোৰা বৰফুকনৰ নেতৃত্বত দমন কৰা হয়। আনফালেদি ডফলাসকলে কিছুমান পলৰীয়া মোৱামৰীয়াক লগত লৈ মানুহক উপদ্ৰৱ কৰিবলৈ আৰম্ভ কৰে। ডফলাসকলক ব্ৰহ্মপুত্ৰ পাৰ কৰাই শিলঘাটৰ ওচৰত দমন কৰা হৈছিল। মোৱামৰীয়া বিদ্ৰোহৰ সময়ছোৱাত উজনি অসমৰ গাঁও-ভূঁইৰ পৰা মানুহ পলাই ফুৰিবলগীয়া অৱস্থা হয়। বিদ্ৰোহীসকলে মানুহক উপদ্ৰৱ কৰিবলৈ লয়। গাঁও-নগৰ জনশূন্য হৈ পৰে। বিভীষিকাময় পৰিৱেশে বিৰাজ কৰে। সেয়েহে ঊনবিংশ শতিকাৰ আৰম্ভণি সময়ছোৱাত দেশৰ অশান্তিকৰ পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত অসমৰ গ্ৰন্থ পৰম্পৰাৰ অগ্ৰগতিত যথেষ্ট বাধাৰ সৃষ্টি হয় আৰু গ্ৰন্থ সংস্কৃতিত বিৰূপ প্ৰভাৱ পৰে।

### **১.০৭.০২ দন্দুৱা দ্ৰোহ**[৭] (১৮১০ খ্ৰীষ্টাব্দ)

ঊনবিংশ শতিকাত ঘটা অন্য এক বিদ্ৰোহ হৈছে দন্দুৱা দ্ৰোহ। এই বিদ্ৰোহও ঊনবিংশ শতিকাত অসমত গ্ৰন্থ পৰম্পৰাৰ বিকাশৰ গতি স্থবিৰ হোৱাৰ অন্যতম এক কাৰণ। আহোম ৰাজত্বত স্বৰ্গদেউ কমলেশ্বৰ সিংহ (১৭৯৫-১৮১০)ৰ দিনত কামৰূপত এই বিদ্ৰোহ আৰম্ভ হৈছিল। এইজনা স্বৰ্গদেউৰ দিনতে নামনি অসমত বীৰদত্ত আৰু হৰদত্ত নামৰ দুজন ভ্ৰাতৃৰ নেতৃত্বত বিদ্ৰোহী কাৰ্যকলাপ আৰম্ভ কৰে। হৰদত্তৰ সেনাবাহিনীক 'ডুমডুমীয়া' বা 'দন্দুৱা' নামেৰে জনা গৈছিল। সেয়ে এই বিদ্ৰোহক 'দন্দুৱা দ্ৰোহ' বোলা হৈছিল। আহোম ৰাজমন্ত্ৰী পূৰ্ণানন্দ বুঢ়াগোহাঁয়ে বেলতলা আৰু ডিমৰীয়াৰ ৰজাৰ সহায় লৈ এই বিদ্ৰোহ দমন কৰে। এই বিদ্ৰোহ কলিয়াভোমোৰা বৰফুকনৰ নেতৃত্বত দমন কৰা হৈছিল। এই বিদ্ৰোহৰ ফলতো ঊনবিংশ শতিকাত অসমৰ ৰাজনৈতিক অৱস্থা বৰ অস্থিৰ হৈ পৰিছিল। ৰাজনৈতিক অৱস্থাৰ লগতে প্ৰাকৃতিক দুৰ্যোগেও অসমক জৰ্জৰিত কৰি তুলিছিল। ইয়াৰ ভিতৰত অভূতপূৰ্ব আকাল, হাইজা, কলেৰা আৰু বৰ আই ৰোগৰ প্ৰাদুৰ্ভাৱে অসমৰ জনজীৱনক জুৰুলা কৰিছিল। এনে আলৈ আহুকালৰ মাজত অসমৰ জনসাধাৰণ দিশহাৰা হৈ পৰিছিল।

### **১.০৭.০৩ মানৰ আক্ৰমণ**[৮] **(১৮১৭-১৮২৪ খ্ৰীষ্টাব্দ)**

১৮১৭ খ্ৰীষ্টাব্দত ব্ৰহ্মদেশৰ পৰা এদল সৈন্য আহি অসম আক্ৰমণ কৰে আৰু অসমৰ সেই সময়ৰ

---

৭. হৰদত্ত চৌধুৰী, বীৰদত্ত চৌধুৰী, কামৰূপৰ উত্তৰ দিশ ৰঙিয়াৰ কাষৰ জিকেৰী অঞ্চলৰ বাসিন্দা। তেওঁলোকে বিদ্ৰোহ কৰি আহোম ৰজাক প্ৰত্যাহ্বান জনায়। এই ঘটনা 'দন্দুৱা দ্ৰোহ' ৰূপে জনাজাত। ৰজনীকান্ত বৰদলৈয়ে এই যুদ্ধৰ বিষয়ে 'দন্দোৱা দ্ৰোহ' নামেৰে এখন গ্ৰন্থ প্ৰণয়ন কৰি বিংশ শতিকাত প্ৰকাশ কৰিছে।

৮. অমলেন্দু গুহ, *মেডিয়াভেল এণ্ড আৰ্লি কোলোনিয়েল আসাম*, কলিকতা, ১৯৯১।

শাসন ব্যৱস্থাত কুঠাৰাঘাত কৰেহি। সেয়া কিছু শাম কাটিছিল যদিও ১৮১৯ খ্ৰীষ্টাব্দত অসমবাসী দ্বিতীয়বাৰ মানৰ আক্ৰমণৰ ৰোষত পৰিবলগীয়া হয়। ১৮২১-২২ খ্ৰীষ্টাব্দত তৃতীয়বাৰৰ বাবে পুনৰ মানে অসমৰ জনসাধাৰণৰ ওপৰত জঁপিয়াই পৰে। অৱশেষত ১৮২৬ খ্ৰীষ্টাব্দত ব্ৰিটিছৰ জৰিয়তে ইয়াণ্ডাবু সন্ধি চুক্তি হয়, সেই চুক্তি মতে অসমত মানৰ আক্ৰমণৰ অৱসান ঘটে। আহোম স্বৰ্গদেউ কমলেশ্বৰ সিংহৰ পাছত চন্দ্ৰকান্ত সিংহ (১৮১১-১৮১৮) ৰাজপাটত উঠে। কিন্তু স্বৰ্গদেউৰ সৈতে সেই সময়ত মন্ত্ৰীবৰ্গৰ সম্পৰ্ক অতি তিক্ত আছিল। যাৰ ফলত ৰাজমন্ত্ৰী পূৰ্ণানন্দ বুঢ়াগোহাঁইক স্বাৰ্থজনিত কাৰণত হত্যাৰ এক ষড়যন্ত্ৰ ৰচিত হৈছিল। এই ষড়যন্ত্ৰত গুৱাহাটীৰ বৰফুকন বদনচন্দ্ৰই সহযোগ কৰিছিল। যদিও বদনচন্দ্ৰই তেওঁৰ জীয়েকক পূৰ্ণানন্দ বৰগোহাঁইৰ পুত্ৰলৈ বিয়া দিছিল, তথাপিও পূৰ্ণানন্দৰ আধিপত্য তেওঁ ভিতৰি ভিতৰি সহ্য কৰিব পৰা নাছিল। বদনচন্দ্ৰ তেওঁৰ বিৰুদ্ধে ষড়যন্ত্ৰত জড়িত হোৱা বুলি জানি পূৰ্ণানন্দই তেওঁক কৰায়ত্ত কৰিবলৈ যো-জা চলায়। জীয়েকৰ পৰা ইংগিত পাই বদনচন্দ্ৰ বৰফুকনে ঘটনাক্ৰমে মানৰ ওচৰ পায়গৈ আৰু মানৰ সহায় বিচাৰে। মান ৰজাই নিজৰ ৰাজ্যৰ সীমা বহলাবলৈ আৰু অসমক কৰতলীয়া ৰাজ্য কৰিবলৈ বদনচন্দ্ৰক সহায় কৰে। অসম আক্ৰমণৰ বাবে মান ৰজাই ৮ হাজাৰ সৈন্যসহ তেওঁৰ সেনাপতিক ১৮১৬ খ্ৰীঃৰ শেহৰ ফালে প্ৰেৰণ কৰে। সেয়াই আছিল বুৰঞ্জীপ্ৰসিদ্ধ মানৰ প্ৰথম আক্ৰমণ। মানৰ এই আক্ৰমণৰ কালছোৱাত পূৰ্ণানন্দ বুঢ়াগোহাঞিৰ মৃত্যু হয়।

পূৰ্ণানন্দৰ মৃত্যুৰ পাছত বদনচন্দ্ৰৰ অত্যাচাৰ বাঢ়ি গৈছিল। মান সৈন্যই যোৰহাট অধিকাৰ কৰি অজস্ৰ ধন-সম্পত্তি উপঢৌকন স্বৰূপে লৈছিল। প্ৰথমবাৰ আক্ৰমণ কৰি অসম ৰাজ্যক ছাৰখাৰ কৰি মান উভতি যায়। সেই সময়তে বদন বৰফুকনক আততায়ীৰ হতুৱাই হত্যা কৰোৱায়। পূৰ্ণানন্দৰ পুত্ৰ ৰুচিনাথ বৰগোহাঞিয়ে সৈন্য-সামন্তৰে যোৰহাট পুনৰ দখল কৰে। তেওঁ স্বৰ্গদেউ চন্দ্ৰকান্ত সিংহক অংগক্ষত কৰি পুৰন্দৰ সিংহক ৰজা পাতে। বদনচন্দ্ৰ বৰফুকনৰ হত্যা আৰু চন্দ্ৰকান্ত সিংহক সিংহাসনচ্যুত কৰাৰ বাতৰি পাই ১৮১৯ খ্ৰীঃত মানে দ্বিতীয়বাৰ অসম আক্ৰমণ কৰে। এই আক্ৰমণত মানে যোৰহাট দখল কৰি চন্দ্ৰকান্তক পুনৰ ৰজা পাতিলে। চন্দ্ৰকান্তক ৰজা পাতি প্ৰকৃততে মানেহে অসমত ৰাজত্ব চলাইছিল। ১৮২০ খ্ৰীঃত মান সেনাপতি অসম এৰি গুচি যোৱাত চন্দ্ৰকান্তই মানসেনাৰ অধীনতাক আঁতৰাই পেলাইছিল। এই বাতৰি পাই ১৮২১ খ্ৰীঃত মানে তৃতীয়বাৰৰ বাবে অসম আক্ৰমণ কৰে। মানে অসমত শাসন চলোৱাৰ নামত প্ৰজাৰ ওপৰত অবৰ্ণনীয় অত্যাচাৰ চলাইছিল। মান সেনাই ঘৰ-বাৰী জ্বলাই দি, ল'ৰা-ছোৱালীক নিৰ্মমভাৱে হত্যা কৰি, সকলো প্ৰকাৰৰ মানৱীয়, নৈতিক, সামাজিক নীতি-নিয়ম তথা মূল্যবোধ ধ্বংস কৰি পেলাইছিল। মানে অসমত উপদ্ৰৱ কৰি সমগ্ৰ ৰাজ্যখনকেই ধ্বংস কৰিছিল। সা-সম্পত্তি লুট কৰাৰ লগতে অমানুষিক অত্যাচাৰ চলাইছিল।

অসমৰ জনসাধাৰণৰ ওপৰত মানে চলোৱা অবৰ্ণনীয় অত্যাচাৰৰ এক বিৰৰণ মণিৰাম দেৱানৰ 'বুৰঞ্জি বিবেকৰত্ন'[৯] গ্ৰন্থত পোৱা যায় এনেদৰে,-

*"ৰাজ বাটেৰে যোৱা কোনো নাৰীয়ে মানৰ লোলুপ দৃষ্টিৰ পৰা হাত সাৰিব নোৱাৰিছিল। ব্ৰাহ্মণ বিলাকক মদ-গাহৰি মাংস আৰু গো-মাংসৰ ভাৰ ববলৈ দিছিল। গোসাঁইসকলৰ যথাসৰ্বস্ব অপহৰণ কৰি নিছিল।"*

মানৰ তিনিবাৰ আক্ৰমণে অসমৰ ৰাজনৈতিক, অৰ্থনৈতিক আৰু সামাজিক দিশত যি ক্ষতিসাধন কৰিলে, সি অপূৰণীয় হৈ ৰ'ল সমগ্ৰ ঊনবিংশ শতিকালৈকে।

### ১.০৭.০৪ 'ইয়াণ্ডাবু সন্ধি'ৰ চুক্তি মতে অসমত ব্ৰিটিছ শাসন (১৮২৬ খ্ৰীষ্টাব্দ)

অসমৰ ইতিহাসত পোৱা তথ্য মতে, ১২২৮ খ্ৰীষ্টাব্দৰ পৰা স্বৰ্গদেউ চ্যুকাফাই অসমত ছশ বছৰীয়া আহোম ৰাজশাসনৰ সূচনা কৰিছিল। ঊনবিংশ শতিকাৰ আৰম্ভণি সময়ছোৱাৰ ৰজা চন্দ্ৰকান্ত সিংহৰ ৰাজত্বকালৰ আগে-পিছে নিজৰ জ্ঞাতি-কুটুম্বসকলেই নিজ নিজ ৰাজনৈতিক ক্ষমতা আৰু লিপ্সাৰ বাবে দ্বন্দ্ব-খৰিয়ালত লিপ্ত হৈ পৰিছিল। এনে পৰিৱেশে সেই সময়ৰ ৰাজনৈতিক অৱস্থা অস্থিৰ কৰাৰ ফলত আৰু জাতিদ্ৰোহী জ্ঞাতিৰ নিমন্ত্ৰণ আদৰ-অভ্যৰ্থনাৰে আপ্যায়িত হৈ মান সেনাই তেওঁলোকৰ ইচ্ছা অনুসৰি অসমখনক শাসন কৰিবলৈ লয়। মান সেনাপতি মিঙ্গিমাহা তিলোৱাই ১৮২১ খ্ৰীষ্টাব্দৰ ডিচেম্বৰ মাহত যোগেশ্বৰ সিংহ নামৰ এজনক ৰাজ্যভাৰ অৰ্পণ কৰে যদিও প্ৰকাৰান্তৰে মানসকলেহে নিজৰ খেয়াল-খুচি মতে অসমৰ শাসনকাৰ্য পৰিচালনা কৰিবলৈ লয়। উক্ত অস্থিৰ ৰাজনৈতিক পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত আন ভালেকেইটি ঘাত-প্ৰতিঘাতৰ ফলত অসমৰ শাসন ব্যৱস্থা দুৰ্বল হৈ পৰে। এনে পৰিপ্ৰেক্ষিতত অসমৰ ৰাজন্যই ইতিমধ্যে বঙ্গদেশত থিতাপি লোৱা ব্ৰিটিছৰ সহায় বিচাৰে। ব্ৰিটিছ শাসকসকলে এটি নীতি অনুসৰণ কৰিছিল যে, তেওঁলোক আক্ৰান্ত নোহোৱালৈকে অন্য ৰাজ্যৰ আভ্যন্তৰীণ বিষয়ত হস্তক্ষেপ নকৰে। সেইবাবে মানৰ উপৰ্যুপৰি আক্ৰমণৰ সময়ত আহোম স্বৰ্গদেউ চন্দ্ৰকান্ত সিংহই ব্ৰিটিছৰ সহায় বিচাৰিছিল যদিও ব্ৰিটিছে মানৰ বিৰুদ্ধে যুদ্ধ কৰিবলৈ আগবাঢ়ি অহা নাছিল। ১৮২৪ খ্ৰীঃৰ আগভাগত মানে কাছাৰ আৰু জয়ন্তীয়া ৰাজ্য আক্ৰমণ কৰি ক্ৰমাৎ ব্ৰিটিছ অধিকৃত অঞ্চললৈ অগ্ৰসৰ হৈ আক্ৰমণ চলোৱাত পৰিস্থিতি গুৰুতৰ হৈ উঠে। ফলত ১৮২৪ খ্ৰীঃত ইংৰাজ আৰু মানৰ মাজত প্ৰথমখন যুদ্ধ হয়। ইংৰাজে এই যুদ্ধত জয়লাভ কৰে আৰু ইয়াৰ পাছৰ কেইবাখনো যুদ্ধত ইংৰাজৰ উন্নত অস্ত্ৰ-শস্ত্ৰ আৰু ৰণ-কৌশলৰ আগত মানসেনা তিষ্ঠিৰ নোৱাৰি সম্পূৰ্ণভাৱে পৰাভূত হয়। এনে অৱস্থাত ১৮২৫ খ্ৰীঃৰ শেষৰ ফালে মান

[৯] নগেন শইকীয়া (সম্পা.), *বুৰঞ্জি বিবেকৰত্ন-মণিৰাম দেৱান*, প্ৰকা. অসমীয়া বিভাগ, ডিব্ৰুগড় বিশ্ববিদ্যালয়, ডিব্ৰুগড়।

ৰজাই ব্ৰিটিছৰ ওচৰত শান্তি প্ৰতিষ্ঠাৰ বাবে সন্ধিৰ প্ৰস্তাৱ আগবঢ়ায়। ব্ৰিটিছে আৰোপ কৰা সকলোবোৰ চৰ্ত মানি ল'বলৈ মান ৰজা বাধ্য হয়। ব্ৰিটিছে অসমৰ এই অস্থিৰ ৰাজনৈতিক স্থিতিৰ সুযোগ গ্ৰহণ কৰি অসমত প্ৰৱেশ কৰেহি। মানৰ ওঠৰ হাজাৰ সৈন্যক ছল-চাতুৰীৰে ইংৰাজ সেনাপতি আৰ্চিবল্ড কেম্বেল মাত্ৰ দুহেজাৰ সৈন্যৰ দ্বাৰাই পৰাস্ত কৰিবলৈ সক্ষম হয়। অৱশেষত ১৮২৬ খ্ৰীষ্টাব্দৰ ২৪ ফেব্ৰুৱাৰীৰ দিনা মান দেশৰ ৰজাই ইংৰাজৰ লগত সেই দেশৰ 'ইয়াণ্ডাবু' নামৰ ঠাইত এখন চুক্তিপত্ৰ সম্পাদন কৰে। সেই চুক্তি অনুসৰি আহোম ৰজাৰ নামত শাসনকাৰ্য চলোৱা মান সৈন্যৰ দখলত থকা বৃহত্তৰ অসমৰ এলেকাসমূহৰ ৰাজনৈতিক অধিকাৰ ব্ৰিটিছে দখল কৰে। 'ইয়াণ্ডাবু সন্ধি'ৰ সেই চুক্তিৰ দ্বিতীয় পৰিচ্ছেদত উল্লেখ কৰা মতে,-

> *"Articel II - His majesty the King of Ava renounces all claims upon, and will abstain from all future interference with; the principality of Assam and its dependencies and also with the contigious petty states of Cachar and Jyantia."*

১৮২৬ খ্ৰীষ্টাব্দত স্বাক্ষৰিত চুক্তিৰ পৰৱৰ্তী সময়ত ব্ৰিটিছে অসমৰ শাসনভাৰ নিজৰ হাতলৈ নিয়ে যদিও, উজনি অসম খণ্ড সেই সময়ত আহোম ৰজাৰ তত্ত্বাৱধানতে তেওঁলোকৰ তলতীয়া কৰি ৰাজশাসন চলাবলৈ এৰি দিয়ে। সেইখিনি সময়ত আহোম শাসিত ৰাজ্যৰ সীমা পশ্চিমে হাদিৰাচকী, দক্ষিণে নগাঁৱৰ কাষৰ ডবকা আৰু ডিমাপুৰ। যোৰহাট আছিল আহোমসকলৰ ৰাজধানী। পূব দিশৰ বেংমৰা আৰু মটক বসতিপূৰ্ণ অঞ্চলটো মোৱামৰীয়া নেতাৰ বৰ সেনাপতিৰ অধীনত আছিল।

বৃহত্তৰ অসমৰ বিস্তীৰ্ণ অঞ্চলত সিঁচৰতি হৈ থকা বিভিন্ন সৰু-বৰ খিলঞ্জীয়া জনগোষ্ঠীৰ পাৰস্পৰিক হাই-কাজিয়া, ইটোৱে-সিটোৰ লগত কৰা বিৰোধ আৰু মতানৈক্যৰ বাবে ব্ৰিটিছে বশীভূত কৰাত যথেষ্ট সুযোগ পায়। সেয়ে যাক যেনেকৈ প্ৰয়োজন হয়, সেইসকলক সহায়ৰ হাত আগবঢ়াই ব্ৰিটিছে সমগ্ৰ ৰাজনৈতিক ক্ষমতা ক্ৰমান্বয়ে নিজৰ হাতলৈ নি খিলঞ্জীয়া অসমবাসীৰ পৰা ৰাজকাৰ্য পৰিচালনাৰ দায়িত্ব হস্তগত কৰে। এই সন্ধিৰ চুক্তি অনুসৰিয়েই অসম ৰাজ্য মানৰ শাসনৰ পৰা মুক্ত হয় যদিও অসম ইংৰাজৰ হাতলৈ যায়। ৰাজনৈতিকভাৱে অসমৰ স্বাধীনতা লুপ্ত হয়। ১৮২৬ খ্ৰীঃৰ পৰা অসম ইংৰাজৰ অধীন হ'বলগীয়া হয়। প্ৰথম অৱস্থাত কলিকতাৰ পৰা শাসন চলায় যদিও ১৮৭৪ খ্ৰীষ্টাব্দৰ পৰা শ্বিলঙক অঞ্চলটিৰ ৰাজধানী চহৰ ৰূপে গঢ়ি তোলে। ১৮২৪ খ্ৰীঃৰ পৰা ১৮২৬ খ্ৰীঃলৈ ব্ৰিটিছ আৰু মানৰ আক্ৰমণ আৰু অসমত ব্ৰিটিছ শাসনৰ ফলত ঊনবিংশ শতিকাত সমগ্ৰ ৰাজ্য ছাৰখাৰ হৈ পৰিছিল, সমাজ ব্যৱস্থাৰ ভেটিও ভাগি পৰিছিল। মুঠ কথাত অসম ৰাজ্যৰ অৱস্থা অতি শোচনীয় হৈ পৰিছিল। এই সময়ছোৱাত অসমৰ জনসাধাৰণ পলাই ফুৰিবলগীয়া হৈছিল। ফলত ঊনবিংশ শতিকাৰ প্ৰথম ভাগত অসমত এনে

ধৰণৰ সামাজিক, ৰাজনৈতিক অৱস্থাৰ বাবে অসমত গ্ৰন্থ পৰম্পৰাৰ বিকাশৰ গতি স্থবিৰ হৈ পৰাটো স্বাভাৱিক আছিল।

**১.০৭.০৫ অসমত অসমীয়া ভাষাৰ পৰিৱৰ্তে বাংলা ভাষাৰ প্ৰৱৰ্তন** (১৮৩৬-১৮৭৩ খ্ৰীঃ)

১৮২৬ খ্ৰীঃৰ 'ইয়াণ্ডাবু সন্ধি'ৰ যোগেদি অসম ইংৰাজৰ অধীনলৈ গৈছিল। অসমলৈ ব্ৰিটিছ আগমনৰ লগে লগে অসমত বাংলাভাষী লোকৰো আগমন ঘটিল। ব্ৰিটিছসকলৰ যোগেদি অসমত আধুনিক সভ্যতা আৰু সংস্কৃতিৰো আগমন ঘটিল। ব্ৰিটিছ চৰকাৰে ১৮৩৬ খ্ৰীঃত অসমৰ পঢ়াশালি আৰু চৰকাৰী কাম-কাজসমূহত অসমীয়া ভাষাক অপসাৰণ কৰি এই ভাষাৰ ঠাইত বাংলা ভাষা প্ৰশাসনীয় কাম-কাজত প্ৰৱৰ্তন কৰিলে। ব্ৰিটিছে কলিকতাৰ পৰা বঙ্গভাষী লোকক আনি অসমৰ প্ৰশাসনীয় কাৰ্যত নিয়োগ কৰাত অসমৰ অসমীয়া লোকসকলৰ মাজত চৰকাৰী কাম-কাজ, পঢ়াশালি বা আন সকলো দিশতে মাতৃভাষা অসমীয়াৰ পৰিৱৰ্তে বাংলা ভাষাৰহে প্ৰচলন বেছি হ'বলৈ ধৰিলে। নিজ মাতৃভাষাৰ এনে আলৈ-আহুকালৰ পৰিস্থিতিয়ে অসমীয়া জনগণৰ মাজত অসন্তোষে বিৰাজ কৰিবলৈ ধৰিলে। মাতৃভাষা অসমীয়াৰ এনে এটি সন্ধিক্ষণতেই আমেৰিকান বেপ্টিষ্ট মিছনাৰীসকলৰ প্ৰধানকৈ মাইল্‌ছ ব্ৰনছন, নাথান ব্ৰাউন আৰু অসমৰ আনন্দৰাম ঢেকিয়াল ফুকন, গুণাভিৰাম বৰুৱা, হেমচন্দ্ৰ বৰুৱা আদিৰ আপ্ৰাণ চেষ্টাত ব্ৰিটিছ প্ৰশাসনে ১৮৭৩ খ্ৰীঃত অসমৰ শিক্ষা প্ৰতিষ্ঠান আৰু অফিচ-কাছাৰীত বাংলা ভাষাৰ পৰিৱৰ্তে পুনৰ অসমীয়া ভাষাৰ প্ৰচলনৰ নিৰ্দেশনা জাৰি কৰে। অসমত বাংলা ভাষাৰ প্ৰচলনৰ বাবে অসমীয়া ভাষাত ঊনবিংশ শতিকাত গ্ৰন্থ ৰচনা আৰু প্ৰকাশনৰ গতি সাময়িকভাৱে স্থবিৰ হৈ পৰিছিল যদিও শতিকাটিৰ পিছৰ দশক দুটিত অসমীয়া ভাষাই পুনৰ গা-কৰি উঠিবলৈ সক্ষম হয়।

**১.০৭.০৬ অসমত চিপাহী বিদ্ৰোহৰ দাৱানল** (১৮৫৭ খ্ৰীঃ)

অসমত ইংৰাজ ইংৰাজ শাসনত তেতিয়া আৰ্থ-সামাজিক অৱস্থাৰ কোনো পৰিৱৰ্তনেই ঘটা নাছিল। সেই সময়ত অসমৰ অৰ্থনৈতিক, সামাজিক আৰু ৰাজনৈতিক অৱস্থা অতি শোচনীয় হৈ পৰিছিল। ভাৰতৰ অন্যান্য ঠাইৰ দৰে অসমৰ জনসাধাৰণৰ মাজতো ব্ৰিটিছ শাসনৰ পৰা স্বাধীনতা পাবৰ বাবে বিদ্ৰোহে উক দিছিল। ১৮৫৭ চনত সমগ্ৰ ভাৰততে জ্বলি উঠা প্ৰথম স্বাধীনতা যুদ্ধৰ দাৱানলে অসমকো স্পৰ্শ কৰিছিল। ইংৰাজৰ কাৰ্যকলাপত বিতুষ্ট হোৱা একাংশ জনসাধাৰণৰ নেতৃত্বত অসমতো চিপাহী বিদ্ৰোহ আৰম্ভ হৈছিল। এই বিদ্ৰোহৰ জৰিয়তে অসমত স্বাধীনতা লাভৰ বাবে চেষ্টা কৰা মণিৰাম দেৱান আৰু পিয়লি ফুকনক ব্ৰিটিছে ১৮৫৮ খ্ৰীঃত ফাঁচীকাঠত ওলোমাই মৃত্যুদণ্ড প্ৰদান কৰিছিল। এই বিদ্ৰোহৰ সৈতে জড়িত

আন আন সদস্যক ব্ৰিটিছে নানা ধৰণৰ শাস্তি বিহিছিল, সা-সম্পত্তি কাঢ়ি নিছিল। অসমত একপ্ৰকাৰৰ অৰাজকতাই বিৰাজ কৰিছিল। ব্ৰিটিছৰ বিৰুদ্ধে সাধাৰণ মানুহৰ মনত বিৰাজ কৰা অসন্তুষ্টিৰ একপ্ৰকাৰৰ বহিঃপ্ৰকাশ আছিল এই চিপাহী বিদ্ৰোহ। এই বিদ্ৰোহেৰে স্বাধীন অসমৰ মুখ নেদেখিলেও অসমীয়া বিপ্লৱীৰ মনত পুনৰ স্বাধীনতা সংগ্ৰামত যোগ দিয়াৰ উদগনি যোগাইছিল।

কিন্তু দেশৰ অশান্ত পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত অসমৰ গ্ৰন্থ ৰচনা আৰু প্ৰকাশৰ দিশত যথেষ্ট বাধাৰ সৃষ্টি হৈছিল, যিয়ে অসমৰ গ্ৰন্থ সংস্কৃতিত বিৰূপ প্ৰভাৱ পেলাইছিল।

### ১.০৭.০৭ **ফুলগুৰিত কৃষক বিদ্ৰোহ** (১৮৬১ খ্ৰীঃ)

অসমত ব্ৰিটিছ চৰকাৰৰ নতুন ৰাজহ নীতিয়ে জনসাধাৰণৰ মনত অসন্তুষ্টি সৃষ্টি কৰিবলৈ আৰম্ভ কৰিছিল। দৰিদ্ৰ কৃষক শ্ৰেণীয়ে ৰাজহ দিব নোৱৰা পৰিস্থিতিৰ উদ্ভৱ হৈছিল। ব্ৰিটিছে খেতিয়কৰ পৰা টকা-পইচা জোৰ-জুলুম কৰি আদায় কৰিছিল। ফলস্বৰূপে খেতিয়কে তেওঁলোকৰ খেতি-বাতি বন্ধকত দিব লগা হৈছিল। এইবোৰ কাৰণতে চৰকাৰৰ বিপক্ষে অসমত ১৮৬১ খ্ৰীঃত বিদ্ৰোহ আৰম্ভ হৈছিল। ১৮৬১ খ্ৰীষ্টাব্দৰ ১৮ অক্টোবৰত ফুলগুৰিৰ কৃষক ৰাইজে ব্ৰিটিছ ৰাজৰ খাজনা সংগ্ৰহ কাৰ্যত জুৰুলা হৈ ইংৰাজ শাসনযন্ত্ৰৰ বিৰুদ্ধে বিদ্ৰোহ ঘোষণা কৰি অসমৰ জনসাধাৰণক জাগ্ৰত কৰি তোলে। ইংৰাজ বিষয়া জি.বি.ছিঙ্গাৰে বাধা প্ৰদান কৰাত বিদ্ৰোহী জনগণে বিষয়াজনক মৰিয়াই হত্যা কৰে। সেই ঘটনাৰ পৰিপ্ৰেক্ষিতত সমগ্ৰ অসমত এক অনাকাংক্ষিত দুৰ্যোগৰ সৃষ্টি হয়। নগাঁৱৰ ফুলগুৰিৰ খেতিয়কসকলে চৰকাৰৰ বিভিন্ন বিষয়ত কৰ প্ৰৱৰ্তন কৰাৰ বিষয়ে আলোচনা কৰিবলৈ 'ৰাইজমেল' পাতিছিল। এনেদৰে বিদ্ৰোহীসকলে ইংৰাজৰ শোষণ নীতিৰ প্ৰতিবাদ জনাই ৰাইজক জাগ্ৰত কৰিবলৈ ঠায়ে ঠায়ে ৰাইজমেল গঠন কৰিছিল। সেই প্ৰতিবাদ সাব্যস্ত কৰাৰ উদ্দেশ্যে অক্টোবৰ মাহত ফুলগুৰিত পাঁচদিনীয়া ৰাইজমেল বহিছিল। এই ৰাইজমেল ভঙাৰ বাবে ইংৰাজে আৰক্ষী বাহিনীক পঠিয়াইছিল। আৰক্ষী আৰু ফুলগুৰি অঞ্চলৰ মানুহৰ মাজত ৰণ আৰম্ভ হৈছিল। অৱশেষত আৰক্ষী সেই ঠাই এৰিবলৈ বাধ্য হৈছিল। তাৰে কিছুদিন পিছত পুনৰ আৰক্ষী বাহিনী ফুলগুৰিলৈ আহি মানুহক আক্ৰমণ কৰি হত্যা, অত্যাচাৰ, লুণ্ঠন কৰিবলৈ আৰম্ভ কৰিছিল। ফুলগুৰিত এক অত্যাচাৰৰ ৰাজত্বই বিৰাজ কৰিছিল।

ঊনবিংশ শতাব্দীৰ সেই সময়ছোৱাত অসমৰ জনসাধাৰণৰ অৱস্থা অতি শোচনীয় হৈ পৰিছিল। ইংৰাজ চৰকাৰে অসমীয়া মানুহক নিৰ্মমভাৱে হত্যা কৰি, মাৰপিট কৰি, অত্যাচাৰ চলাই আহিছিল। বহুতকে কেইবাবছৰো জে'লত বন্দী কৰি ৰাখিছিল। এনে পৰিস্থিতিত অসমীয়া সাহিত্যৰ চৰ্চা আৰু গ্ৰন্থ প্ৰকাশনৰ পৰিৱেশ সূচল নাছিল।

### ১.০৭.০৮ পথৰুঘাটৰ কৃষক বিদ্ৰোহ (১৮৯৪ খ্ৰীঃ)

ঊনবিংশ শতিকাৰ শেষৰফালে বিভিন্ন ঠাইত ব্ৰিটিছ চৰকাৰৰ ৰাজহ নীতিৰ বিপক্ষে অসমৰ জনসাধাৰণৰ মাজত ৰাইজমেল আয়োজিত হৈছিল। চৰকাৰে হঠাৎ খাজনা বৃদ্ধি কৰাৰ প্ৰতিবাদত অসমৰ ঠায়ে ঠায়ে ৰাইজমেলৰ প্ৰভাৱ অতি গভীৰ হৈ পৰিছিল। দৰং জিলাৰ পথৰুঘাট নামৰ ঠাইত ১৮৯৪ খ্ৰীঃৰ জানুৱাৰী মাহত হাজাৰ হাজাৰ মানুহ ৰাইজমেলত উপস্থিত হৈছিল। ৰাইজমেলত ৰাজহ বৃদ্ধিৰ বিৰুদ্ধে বিদ্ৰোহ ঘোষণা কৰিছিল। এই বিদ্ৰোহত বহু লোক নিহত আৰু আহত হৈছিল। আৰক্ষীয়ে গুলীচালনাৰে অনেকক হত্যা কৰিছিল। ব্ৰিটিছশাসিত অসমত সাধাৰণ মানুহৰ শাৰীৰিক, মানসিক, আৰ্থিক অৱস্থা অবৰ্ণনীয় হৈ পৰিছিল। সাধাৰণ মানুহ সৰ্বস্বান্ত হৈ পৰিছিল। এনে পৰিস্থিতি বাবে ঊনবিংশ শতিকাৰ শেষভাগত অসমত সাহিত্য চৰ্চা আৰু গ্ৰন্থ প্ৰকাশনৰ পৰিৱেশ মুঠেও অনুকূল নাছিল।

### ১.০৭.০৯ অসমত বৰ ভুঁইকঁপ (১৮৯৭ খ্ৰীঃ)

১৮৯৭ খ্ৰীঃৰ ১২ জুনত অসমত এক প্ৰবল ভূমিকম্প সংঘটিত হৈছিল। এই ভূমিকম্পই ৰাজ্যখনক জোকাৰি গৈছিল। শ্বিলং, শ্ৰীহট্ট আৰু গুৱাহাটী - এই তিনিও স্থানত ভীষণ প্ৰভাৱ পৰিছিল। এই ভূমিকম্প পৃথিৱীৰ তীব্ৰ মাত্ৰাৰ ভূমিকম্পবোৰৰ অন্যতম। ভূমিকম্পৰ ফলত তিনিওখন চহৰতে বহু ঘৰ, দলং, বাট-পথ ধ্বংস হৈছিল। বহু ঘৰ-দুৱাৰৰ বেৰ ফাটি খহি পৰিছিল। ইয়াৰ ফলত অসমৰ জনসাধাৰণৰ জীৱনযাত্ৰা স্তব্ধ হৈ পৰিছিল। যাৰ ফলত অসমৰ ভাষা-সাহিত্যৰ বিকাশ আৰু উন্নয়নৰ দিশত আওপকীয়াভাৱে প্ৰভাৱ পৰিছিল।

ঊনবিংশ শতিকাত দেখা দিয়া ৰাজনৈতিক, সামাজিক, প্ৰাকৃতিক দুৰৱস্থাই সাহিত্য সৃষ্টি আৰু চৰ্চাৰ দিশত ব্যাঘাত জন্মাইছিল যদিও সাহিত্যৰ দিশত সেই শতিকাটোত বহুতো ইতিবাচক উৎকৰ্ষ সাধন হৈছিল। সেই ব্যাঘাতসমূহৰ মাজে মাজে অসমৰ জনসাধাৰণৰ মাজৰ সৃষ্টিশীল মানসিকতাৰ লোকসকলৰ দ্বাৰা সাহিত্য চৰ্চাৰ বিভিন্ন ধৰণৰ  কামো ইতিবাচক দৃষ্টিভংগীৰে সম্পন্ন হৈ গৈ থাকে। ঘটনাবহুল ঊনবিংশ শতিকাটোত সংঘটিত বিভিন্ন সময়ৰ ৰাজনৈতিক মেৰপাক, বিদ্ৰোহ, অৰ্থনৈতিক অৱস্থা, মানুহৰ জীৱনধাৰাৰ বিভিন্ন দিশ সামৰি নানা তৰহৰ বৌদ্ধিক চিন্তাধাৰাৰ উন্মেষ ঘটে। সেইবোৰে পোনতে লিখিত ৰূপ লয় আৰু পৰৱৰ্তী সময়ত সেই শতিকাত নকৈ স্থাপিত মুদ্ৰণ যন্ত্ৰৰ সহায়ত গ্ৰন্থৰ ৰূপ লৈ সেই বৰ্ণনাসমূহক স্থায়ী কৰি ৰাখিবলৈ সক্ষম হয়।